# বিশ্ব ৰাজনীতিত শীতল যুদ্ধৰ যুগ :

Date ______
Page ______

প্ৰশ্ন: ৬। শীতল যুদ্ধই অস্ত্ৰ সম্প্ৰসাৰণ আৰু অস্ত্ৰ নিয়ন্ত্ৰণ দুয়োটাই কৰে। এই দুয়োটা কাৰ্য কৰাৰ কাৰণ কি? লিখা।

উত্তৰ: শীতল যুদ্ধই অস্ত্ৰ সম্প্ৰসাৰণ আৰু অস্ত্ৰ নিয়ন্ত্ৰণ দুয়োটাই কাৰ্যকে কৰিছিল :—

১। কিউবাৰ ক্ষেপনাস্ত্ৰ সংকটে বিশ্বক প্ৰভাৱিত কৰিব পৰাকৈ দুয়োটা মহাশক্তিক আনবিক অস্ত্ৰ বিকাশত নিযুক্ত/জড়িত কৰাইছিল।

২। ছোভিয়েট ৰাছিয়াৰ এছিয়া মহাদেশত যি সামৰিক আৰু ৰাজনৈতিক সুনাম অৰ্জনৰ প্ৰচেষ্টা তাক ৰোধ কৰাৰ উদ্দেশ্যত আমেৰিকাই জাপানৰ হিৰোচিমা আৰু নাগাচাকিত পাৰমানৱিক বোমা নিক্ষেপ কৰে।

৩। দুয়োটা শক্তিগোষ্ঠীয়ে সশস্ত্ৰ যুদ্ধ কামনা কৰা নাছিল। কাৰণ সিহঁতে জানিছিল যে ধ্বংসই সিহঁতৰ সুনামক ব্যৰ্থতা দিদিয়ে।

৪। দুয়োটা শক্তিগোষ্ঠীয়েই মানৱ জাতিৰ ভেবুকিৰ প্ৰতি অলপহৰ পৰা সাম্ৰাজ্য যুদ্ধক যুক্তিৰে আৰু দায়িত্বশীলতাৰে পৰ্যবেক্ষণ কৰিছিল যাতে তৃতীয় এখন বিশ্ব যুদ্ধৰ সৃষ্টি নহয়।

৫। গতিকে দুয়োটা শক্তিয়েই পাৰমানৱিক আৰু অপাৰমানৱিক অস্ত্ৰ সীমিত কৰাৰ স্বাৰ্থত কেইবামানো গুৰুত্বপূৰ্ণ চুক্তিত স্বাক্ষৰ কৰে। তাৰ ভিতৰত — সীমিত পৰীক্ষা নিষিদ্ধকৰণ চুক্তি (১৯৬৩) পাৰমানৱিক অস্ত্ৰ সম্প্ৰসাৰণ বিৰোধী চুক্তি (১৯৬৮) আদি।

৬। বৃহৎ শক্তিৰ ৰাষ্ট্ৰসমূহে সৰু ৰাষ্ট্ৰবিলাকৰ লগত কিয় সামৰিক জোটবন্ধন (Alliance) কৰিছিল? তিনিটা কাৰণ দৰ্শোৱা।

উত্তৰ: বৃহৎ শক্তিৰ ৰাষ্ট্ৰসমূহৰ শক্তি যথেষ্ট বেছি আৰু আৰ্থিক বা সামৰিকভাৱেও টনকিয়াল, তথাপি এই শক্তিশালী ৰাষ্ট্ৰসমূহে সৰু সৰু ৰাষ্ট্ৰৰ লগতে মিত্ৰতা স্থাপন কৰিছিল। ইয়াৰ মুখ্য কাৰণ সমূহ উল্লেখ কৰা হ'ল —

১। আৱশ্যকীয় সম্পদসমূহ যেনে- তেল আৰু খনিজ সম্পদৰ কাৰণে। ২। সৰু ৰাষ্ট্ৰত সামৰিক বাহিনী মোতায়েন আৰু ক্ষেপনাস্ত্ৰ নিক্ষেপ কৰাত সহজ হয়। ৩। সৰু পক্ষৰ ৰাষ্ট্ৰত চোৰাংচোৱা-গিৰি কৰাত সহায় হয়। ৪। সৰহসংখ্যক ৰাষ্ট্ৰৰ মিত্ৰতাই এনেকলগে সামৰিক ব্যয় বা খৰচ কৰাত সহায়ক হয়।

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট সংঘই শক্তি বৃদ্ধি আৰু নিজৰ নিজৰ আদৰ্শ বিস্তাৰৰ উদ্দেশ্যতে সৰু ৰাষ্ট্ৰৰ লগতে মিত্ৰতা স্থাপন

প্ৰশ্ন: তুমি কেনেকৈ শীতল যুদ্ধৰ পাছত গোষ্ঠী নিৰপেক্ষ আন্দোলন ইয়াৰ প্ৰাসংগিকতা হেৰুৱাইছে বুলি ? যুক্তিযুক্ত আলোচনা কৰা।

উত্তৰ: ১৯৭০ দশকৰ মধ্যভাগৰ পৰা অৰ্থনৈতিক প্ৰেছাৰগোষ্ঠীৰ ভূমিকা পালন কৰে আৰু ১৯৮০ দশকৰ শেষৰফালে উন্নত দেশসমূহ একগোট হৈ 'নতুন আন্তৰ্জাতিক অৰ্থনৈতিক শৃংখলা' (NIEO)ৰ বিপক্ষে আক্ৰোশ মনোভাব লৈয়াৰ বাবে গোষ্ঠী নিৰপেক্ষ দেশসমূহ একগোট হৈ একেলগে যুদ্ধ সংগ্ৰাম কৰিবলগীয়া হয়।

আন্তৰ্জাতিক আন্দোলন আৰু ভাৰতৰ বৈদেশিক নীতি কেন্দ্ৰস্থল হিচাপে গোষ্ঠী নিৰপেক্ষ আন্দোলনে ইয়াৰ প্ৰাসংগিকতা হেৰুৱাইছে। যদিও গোষ্ঠী নিৰপেক্ষতাৰ কিছু মূল বিষয় আৰু মূল্যৱান আদৰ্শ আছিল। ই স্বাধীনতা অৰ্জন কৰা ঔপনিবেশিক ৰাষ্ট্ৰসমূহক ইতিবাচক স্বীকৃতি প্ৰদান কৰে আৰু যদি এই ৰাষ্ট্ৰসমূহ একগোট হৈ থাকে তেন্তে ই হ'ব এটা শক্তিশালী বল বা শক্তি। ইয়াৰ অৰ্থ হ'ল এই ৰাষ্ট্ৰসমূহ বৃহৎ শক্তিৰ মুখামুখি হ'ব নালাগিব আৰু স্বতন্ত্ৰ বৈদেশিক নীতি গ্ৰহণ কৰিব পাৰিব। অন্য এটা হৈছে হ'ল- ই আন্তৰ্জাতিক ব্যৱস্থাটোক এক গণতান্ত্ৰিক ৰূপ দিয়া আৰু বিশ্ব শৃংখলা ৰূপে অসমতা দূৰ কৰা।

উপৰোক্ত আলোচনাৰ পৰা ক'ব পাৰি যে, গোষ্ঠী নিৰপেক্ষ কেন্দ্ৰীয় বিষয়বস্তু শীতল যুদ্ধ অন্ত পৰাৰ পিছতো প্ৰাসংগিক হৈ আছে যিহেতু ই তৃতীয় বিশ্ব ৰাষ্ট্ৰৰ স্বাৰ্থ সুৰক্ষিত কৰিব খোজে।

প্ৰশ্ন: কিউবাৰ আণৱিক সংকটৰ ওপৰত টোকা লিখা।

উত্তৰ: শীতল যুদ্ধৰ সময়চোৱাত দেখা দিয়া এটি উল্লেখযোগ্য সংকট হ'ল- কিউবাৰ ক্ষেপণাস্ত্ৰ সংকট (Cuban Missile Crisis)। কিউবা আমেৰিকাৰ চুবুৰীয়া ৰাষ্ট্ৰ যদিও ছোভিয়েট সংঘৰ সৈতে মিত্ৰতা স্থাপন কৰে। ফিডেল কাষ্ট্ৰোৰ নেতৃত্বত ১৯৫৯ চনত সাম্যবাদী চৰকাৰ প্ৰতিষ্ঠা হয়।

কিউবাক কেন্দ্ৰ কৰি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট সংঘৰ মাজত পূৰ্ব সংঘাট ১৯৬২ চনত অধিক প্ৰকট হয়। ১৯৬২ চনৰ ছেপ্তেম্বৰত USSR য়ে কিউবাত নিকিতা ক্ৰুচেভৰ নেতৃত্বত পাৰমাণৱিক ক্ষেপণাস্ত্ৰৰ ঘাটি স্থাপন কৰে। কাৰণ USA ছোভিয়েট সংঘৰ তেনে কাৰ্যত ক্ষুন্ন হৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জন এফ কেনেডীয়ে যুদ্ধৰ জাহাজবোৰক নিৰ্দেশ দিয়ে যে USSR ৰ কোনো জাহাজ ইয়াত কিউবাত প্ৰৱেশ কৰিব নোৱাৰে

আৰু পাৰমাণৱিক ঘাটিবোৰ উঠাই নিবৰ বাবে ছোভিয়েট সংঘক দাবী জনায়। সেই সংকটে সমগ্ৰ বিশ্বকে আতংকিত কৰি তুলিছিল।

অৱশেষত, ১৯৬২ চনৰ ২৮ চেপ্তেম্বৰত কেনেডী আৰু ক্ৰুশ্চেভৰ মাজত সম্পাদিত হোৱা চুক্তিৰ জৰিয়তে সংকটৰ অন্ত পৰে।

প্ৰশ্ন: নতুন অৰ্থনৈতিক শৃংখলা (NIEO)ৰ বিষয়ে চমুকৈ লিখা।

উত্তৰ: শীতল যুদ্ধৰ সময়ত আন্তৰ্জাতিক ৰাজনীতিক USA আৰু USSR য়ে দুটা মেৰুত বিভক্ত কৰাৰ প্ৰচেষ্টাৰ বিৰুদ্ধে নতুনকৈ স্বাধীনতা প্ৰাপ্ত তৃতীয় বিশ্বৰ দেশসমূহে একত্ৰিত হৈ এক প্ৰত্যাহ্বান গঢ়ি তুলিছিল। এই তৃতীয় বিশ্বৰ দেশসমূহে একত্ৰিত হৈ কৰা সংগঠনটোৱেই আছিল গোষ্ঠী নিৰপেক্ষ। ইয়াক গোষ্ঠী নিৰপেক্ষ আন্দোলন নামেৰে জনা যায়।

১৯৭০ দশকত এই আন্দোলনে নতুন চৰিত্ৰ লাভ কৰে। গোষ্ঠী নিৰপেক্ষ আন্দোলনে ইয়াৰ সদস্য ৰাষ্ট্ৰৰ শোচনীয় অৰ্থনৈতিক অৱস্থা আৰু আন্তৰ্জাতিক অৰ্থনীতিত চলি থকা বৈষম্যৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিলে। যিহেতুকে, অৰ্থনৈতিক স্বাধীনতা অবিহনে ৰাজনৈতিক স্বাধীনতা বৰ্তাই ৰখাটো সম্ভৱপৰ নহয়। সেই উদ্দেশ্যে গোষ্ঠী নিৰপেক্ষ আন্দোলনে প্ৰতিষ্ঠিত আন্তৰ্জাতিক অৰ্থব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন কৰি এক নব্য আন্তৰ্জাতিক অৰ্থব্যৱস্থা গঢ়ি তোলাৰ দাবী উত্থাপন কৰে। ইয়াকে নব্য আন্তৰ্জাতিক অৰ্থনৈতিক শৃংখলা নামেৰে জনা যায়। ইয়াৰ মুখ্য উদ্দেশ্য আছিল — সদস্য ৰাষ্ট্ৰসমূহক অৰ্থনৈতিকভাৱে অধিক উন্নত কৰা আৰু জনসাধাৰণৰ জীৱনৰ মানদণ্ড উন্নত কৰা।

NAM ৰ সদস্যৰাষ্ট্ৰসমূহৰ উত্থাপন কৰা দাবীৰ পৰিপ্ৰেক্ষিতত ১৯৭৪ (জাক) চনৰ মে মাহত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই NIEO গঢ়ি তোলাৰ হকে এক ঘোষণা আৰু কাৰ্য ৰূপায়ন আঁচনি গ্ৰহণ কৰে। এই আঁচনি জৰিয়তে সদস্য ৰাষ্ট্ৰসমূহে দৃঢ়তা ওপৰ নিৰ্ভৰ তেওঁলোকৰ নিজা অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থা নিৰ্বিশেষে সকলো ৰাষ্ট্ৰৰ মাজৰ সাৰ্বভৌমত্ব, সমতা, আত্মনিৰ্ভৰশীলতা, সামূহিক স্বাৰ্থ আৰু সহযোগিতাৰ ভিত্তিত এক নতুন অৰ্থনৈতিক শৃংখলা গঢ়ি তোলাৰ বিষয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ইয়াৰ লক্ষ্য আছিল — উন্নত আৰু অনুন্নত ৰাষ্ট্ৰৰ মাজত বৃদ্ধি পোৱা ব্যৱধান দূৰ কৰা আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে শান্তি আৰু ন্যায় প্ৰতিষ্ঠা কৰা। ১৯৭০ দশকত মধ্যভাগৰ পৰাই ই অৰ্থনৈতিক প্ৰেচাৰগোষ্ঠী হিচাপেও ভূমিকা পালন কৰে।

প্ৰশ্ন: গোষ্ঠী নিৰপেক্ষ আন্দোলন বুলিলে কি বুজা?

উত্তৰ: শীতল যুদ্ধৰ সময়ত আন্তৰ্জাতিক ৰাজনীতিক আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট সংঘই দুটা মেৰুত বিভক্ত কৰা প্ৰচেষ্টাৰ বিৰুদ্ধে নতুনকৈ স্বাধীনতা লাভ কৰা তৃতীয় বিশ্বৰ দেশসমূহে একত্ৰিত হৈ এক আন্দোলন বা প্ৰত্যাহ্বান গঢ়ি তুলিছিল। দুই মহাশক্তিৰ প্ৰতিদ্বন্দ্বিতাৰ বাহিৰে এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকা দেশসমূহে কোনো এটা শক্তি শিবিৰত যোগদান নকৰাকৈ নিৰপেক্ষভাৱে থাকি এটা সংগঠনৰ জন্ম দিছিল। এই সংগঠনটোক গোষ্ঠীনিৰপেক্ষ আন্দোলন নামেৰে জনা যায়। শীতল যুদ্ধৰ সময়চোৱাত ই দুই মহাশক্তিৰ ভাৰসাম্য হিচাপে কাম কৰিছিল।

প্ৰশ্ন শীতল যুদ্ধ বুলিলে কি বুজা?

উত্তৰ সাধাৰণ অৰ্থত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট সংঘৰ মাজত ক্ষমতা বৃদ্ধিৰ বাবে চলা এক আক্ৰমণাত্মক প্ৰতিযোগিতাক শীতল যুদ্ধ বুলি কোৱা হয়।

ব্যাপক অৰ্থত - প্ৰতিদ্বন্দ্বী ৰাষ্ট্ৰসমূহে সশস্ত্ৰ যুদ্ধৰ পৰিবৰ্তে কূটনৈতিক সম্বন্ধ ৰক্ষা কৰি চলাৰ মাজতো পাৰস্পৰিক অবিশ্বাস আৰু শত্ৰুভাৱাপন্ন আচৰণ কৰি নিজকে শক্তিশালী কৰাৰ বাবে যি প্ৰচেষ্টা চলাইছিল তাকে শীতল যুদ্ধ বুলি কোৱা হয়। এই যুদ্ধত প্ৰতিদ্বন্দ্বী ৰাষ্ট্ৰসমূহে প্ৰত্যক্ষ যুদ্ধৰ বিপৰীতে ৰাজনৈতিক প্ৰচাৰ আৰু কূটনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল।

প্ৰশ্ন: গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ চাৰিটা উদ্দেশ্য লিখা।

উত্তৰ: ক। উপনিৱেশিকতাক নিঃশেষ কৰা আৰু সকলো ৰাষ্ট্ৰক স্বতন্ত্ৰতা প্ৰদান কৰা।

খ। আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বজাই ৰখা।

গ। উন্নত-অনুন্নত ৰাষ্ট্ৰ আৰু সৰু সৰু ৰাষ্ট্ৰৰ মাজত দেখা বৈষম্য আৰু ব্যৱধান দূৰ কৰা।

ঘ। নতুন আন্তৰ্জাতিক অৰ্থনৈতিক শৃংখলা প্ৰতিষ্ঠাৰ জৰিয়তে ৰাষ্ট্ৰসমূহৰ সহযোগিতা বৃদ্ধিত আৰিহণা যোগোৱা।

প্ৰশ্ন: নব্য বাণিজ্য নীতি বা উন্নয়নৰ বাবে নতুন বাণিজ্য নীতিৰ প্ৰতিবেদনৰ মূল লক্ষ্যসমূহ কি কি?

উত্তৰ: ১৯৬৪ চনত জেনিভাত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ 'বাণিজ্য আৰু উন্নয়ন' (Trade and Development)ৰ অধিৱেশনত "উন্নয়নৰ বাবে নতুন বাণিজ্য নীতি' (New Trade Policy for Development) নামেৰে যিখনি প্ৰতিবেদন প্ৰস্তুত কৰা হয় কেইবাটাও লক্ষ্যত নিৰ্ধাৰণ কৰে। সেইসমূহ হ'ল—

১। উন্নত পাশ্চিমীয়া দেশসমূহে ব্যৱহাৰ আৰু শোষণ কৰি থকা প্ৰাকৃতিক সম্পদৰ ওপৰত উন্নয়নশীল দেশসমূহৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰা।

২। কম উন্নত দেশসমূহৰ লাভ হোৱাকৈ আৰু উৎপাদিত সামগ্ৰীৰ উচিত মূল্য পোৱাকৈ সম্পদ বিক্ৰীৰ বাবে পাশ্চিমীয়া দেশসমূহৰ বজাৰ মুকলি কৰি দিয়া।

৩। পাশ্চিমীয়া দেশৰ পৰা ক্ৰয় কৰা প্ৰযুক্তিৰ মূল্য হ্ৰাস কৰা।

৪। আন্তৰ্জাতিক বিত্তীয় প্ৰতিষ্ঠানসমূহত কম উন্নত ৰাষ্ট্ৰসমূহক গুৰুত্বপূৰ্ণ ভূমিকা প্ৰদান কৰা।

প্ৰশ্ন: সৰু সৰু ৰাষ্ট্ৰবোৰে কিয় বৃহৎ শক্তিগোষ্ঠীৰ অধীনত থাকিব খুজিছিল?

উত্তৰ: দ্বিতীয় বিশ্ব যুদ্ধৰ পিছত নতুনকৈ স্বাধীনতা লাভ কৰা ৰাষ্ট্ৰসমূহে সেই সময়ৰ দুটা শক্তিগোষ্ঠীৰ মাজৰ যিকোনো এটা শক্তিত সামিল হ'ব খোজাৰ বহু কাৰণ আছিল। তাৰ ভিতৰত —

১। বিশ্বযুদ্ধই তছনছ কৰা অৰ্থনীতি তথা সামৰিক ব্যৱস্থাৰ পুনৰ উত্থানৰ বাবে;

২। দুই মহাশক্তিৰ প্ৰতিযোগিতাই সৰু সৰু ৰাষ্ট্ৰৰ অস্তিত্বক যাতে ধ্বংস কৰিব নোৱাৰে;

৩। দুই মহাশক্তিৰ আধিপত্য বিস্তাৰৰ কালত নব্য স্বাধীনতা প্ৰাপ্ত ৰাষ্ট্ৰসমূহৰ সাৰ্বভৌমত্ব তথা অস্তিত্বৰ প্ৰতি ভাবুকি সৃষ্টি হয়;

৪। বিবিধ মানৱ মৰ্যদা যাতে পুনৰ বিপদাপন্ন নহয় তাৰ বাবে নিজকে সুৰক্ষিত কৰিবৰ বাবে সৰু সৰু ৰাষ্ট্ৰসমূহে বৃহৎ শক্তিৰ ৰাষ্ট্ৰৰ অধীনত থাকিব বিচাৰিছিল।